

অসম আদিত্য

☐ অসম আদিত্য, ডিব্ৰুগড় ☐ শনিবাৰ, ১৭ আগষ্ট, ২০২৪ ☐ ৩২ শাওণ, ১৯৪৬ শক

# ডিব্ৰু মহাবিদ্যালয়ৰ ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস





ডিব্ৰুগড়, ১৬ আগষ্ট ঃ ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান ডিব্ৰু মহাবিদ্যালয়ৰ ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে আজি উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, বিশিষ্ট অতিথি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক তথা বিশিষ্ট লেখক ড° কল্যাণ ভূঞা, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই, উপাধ্যক্ষ চন্দনা গগৈ, মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ বন্দিতা দাস আৰু ড° জিতু বুঢ়াগোহাঁই, ড° ৰঞ্জিত সিনহাৰ উপৰিও বীৰেন বৰুৱা, সৰ্বজিৎ ওঝা, প্ৰশান্ত বেনাৰ্জী, ড° মহেশ কুমাৰ জৈন, বীনা বৰাকে ধৰি বহু কেইগৰাকী উপস্থিত থাকে। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলেও অংশগ্ৰহণ কৰে। আদৰণি ভাষণত অধ্যক্ষ ড° চাংমায়ে কয় যে মহাবিদ্যালয়খনত বিগত ডেৰবছৰ ধৰি তেওঁ কাৰ্যনিৰ্বাহ কৰি আছে আৰু এই সময়ছোৱাত তেওঁ শিক্ষানুষ্ঠানখনৰ বিদ্যায়তনিক আন্তঃগাঁথনিৰ প্ৰতিটো দিশত বলিষ্ঠভাৱে কাম-কাজ কৰিবলৈ চেষ্টা কৰি আহিছে। তেওঁ দিনতেই কানৈ পৰিয়ালৰ পৰা ১ কোটি টকাৰ ব্যয়েৰে এটি প্ৰশাসনিক ভৱন, অসম চৰকাৰৰ অনুমোদনেৰে শৈক্ষিকখণ্ড তৃতীয়ৰ দুটা মহলা সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছে। বিধায়ক প্ৰশান্ত ফুকনে ভাষণত তেওঁৰ সমষ্টিৰ অন্তৰ্গত মহাবিদ্যালয়খনৰ উন্নতি কামনা কৰাৰ লগতে ঐতিহাসিক শিক্ষানুষ্ঠানখনৰ বাবে সহায়-সহযোগিতা আগবঢ়াই যোৱাৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে। ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মুখপাত্ৰ ডিব্ৰুয়ান উন্মোচন কৰে প্ৰাধ্যাপক ড° কল্যাণ ভূঞাই। তেওঁ বক্তব্যত শিক্ষাৰ্থীসকলক বৌদ্ধিক উত্তৰণৰ ক্ষেত্ৰত সদায় সচেতন হৈ ভৱিষ্যতৰ দিনত একো একোগৰাকী সু-নাগৰিক হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক উদগনি জনায়। এই সভাতেই কেইবাটাও সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ সাতগৰাকীকৈ অধ্যাপকক তেওঁলোকে সুদীৰ্ঘ ত্ৰিশবছৰ কাল অধ্যাপনা কৰাৰ বাবে একোটিকৈ স্মাৰকেৰে সন্মান জনোৱা হয়। তদুপৰি মহাবিদ্যালয়ৰ দুগৰাকী জ্যেষ্ঠ কৰ্মচাৰীকো সম্বৰ্ধনা জনোৱা হয়। স্মৰণীয় যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰতে বিজ্ঞান শাখাত শ্ৰেষ্ঠ স্নাতকৰ সন্মান লাভ কৰা মহাবিদ্যালয়খনৰ প্ৰাণীবিজ্ঞান বিভাগৰ ছাত্ৰী অৰ্পিতা দত্তক দহ হাজাৰ টকা, স্মাৰক, গছপুলি আৰু গ্ৰন্থৰ টোপোলাৰে বিপুল সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ উপৰিও অৰ্পিতাই অধ্যয়ন কৰা প্ৰাণী বিজ্ঞান বিভাগলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই উদগনিমূলকভাৱে বিশ হাজাৰ টকাৰ এখনি চেক্ প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অৰ্থনৈতিক বিজ্ঞান বিভাগৰ এখনি গ্ৰন্থ উন্মোচন কৰা হয়। ইয়াৰ সম্পাদনাৰ দায়িত্বত আছিল জয়ন্ত সাউদকে ধৰি কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকা। অনুষ্ঠানৰ শেষত অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰা হয়। এই সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে অসমীয়া বিভাগৰ অধ্যাপক বিজু মৰাণে।